# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 11-05-2024

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত কেইঘণ্টামান বাকী থকা পৰিপ্ৰেক্ষিতত বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ কান্ধামাল জিলাৰ ফুলবানীত এখন নিৰ্বাচনী সমাবেশত  অংশগ্ৰহণ কৰে। নিৰ্বাচনী প্ৰচাৰ সভাখনত বিৰোধী দল কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি শ্ৰী মোদীয়ে দাবী কৰে যে, অহা ৪ জুনৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত কংগ্ৰেছে লোকসভাত বিৰোধী দল হিচাপেহে স্বীকৃত হ'ব। বিজেপি নেতৃত্বাধীন এন ডি এই নিৰ্বাচনত ৪০০ খনতকৈও অধিক লোকসভা আসনত জয়ী হ'ব বুলি দাবী কৰি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে কংগ্ৰেছে কেৱল ৫০ খন আসনতহে জয়লাভ কৰিব পাৰিব বুলি মত প্ৰকাশ কৰে। কংগ্ৰেছ শাসন কালক কু-শাসনৰ অভিধা দি শ্ৰী মোদীয়ে কয় যে, সেই সময়ত দেশত সন্ত্ৰাসবাদী আক্ৰমণৰ সংখ্যা বেছি আছিল। তেওঁ লগতে কংগ্ৰেছ শাসন কালত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাসমূহৰ সঠিক তদন্ত নোহোৱা বুলিও অভিযোগ কৰে। দুদিনীয়া কাৰ্যসূচীৰে ওড়িশালৈ যোৱা প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছত বাৰগড় সংসদীয় সমষ্টিটো এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিহাৰৰ বেগুচৰাই চহৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি কয় যে, বিজেপিৰ সবল নেতৃত্বত কিছু বছৰৰ ভিতৰতে পাক অধিকৃত কাশ্মীৰ আকৌ ভাৰতৰ অংশ হিচাপে স্বীকৃত হ'ব। সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত বিজেপি নেতাগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে চৰকাৰে লোৱা স্থিতিৰ বিৰুদ্ধাচাৰণ কৰাৰ কাৰণে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসেও আজি পশ্চিমবংগৰ কেইবাটাও লোকসভা সমষ্টিত নিৰ্বাচনী কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে কলিকতালৈ ৰাওনা হৈছে। মন্ত্ৰী দাসে পযেকজোৰা কাৰ্যসূচীত ৰাজ্যখনৰ কেইবাটাও  লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ইফালে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও আজি অন্ধ্ৰপ্ৰদেশৰ কাদাপ্পাত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীগান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰখনক সমালোচনা কৰি এন ডি এৰ শাসনকালত দেশৰ ৯০ শতাংশ লোকৰ অধিকাৰ আৰু বিকাশ বিঘ্নিত হৈছে বুলি দাবী কৰে।

আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়েও আজি বিহাৰৰ পাটনাত নিৰ্বাচনী প্ৰচাৰ চলায়। কংগ্ৰেছ নেতাগৰাকীয়ে বিহাৰৰ ৰাজধানী চহৰখনত সংবাদ মাধ্যমক সম্বোধন কৰি শাসক পক্ষৰ নিৰ্বাচনী স্থিতিক তীব্ৰ সমালোচনা কৰে।

আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালেও আজি দেশত এতিয়া একনায়কত্ববাদ চলি আছে বুলি দাবী কৰি ১৪০ কোটি ভাৰতীয় জনসাধাৰণক ইয়াৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজ দিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীৰ বৈচিত্ৰহীন এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন আৰু এজন নেতাৰ সপোনক স্বৈৰাচাৰী আখ্যা দি ইয়াৰ বিৰুদ্ধে সংঘবদ্ধ হ'বলৈ দেশবাসীক আহ্বান জনায়।

০০০০০

বিশিষ্ট সাহিত্যিক ইমৰাণ শ্বাহক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সন্মানীয় ডি-লিট উপাধি প্ৰদান কৰিছে। আজি সাহিত্যিক গৰাকীৰ শিৱসাগৰৰ ধাইআলিত থকা বাসগৃহত বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষই আয়োজন কৰা এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীক এই সন্মান প্ৰদান কৰা হয়। সন্মানীয় উপাধিটো গ্ৰহণ কৰি পদ্মশ্ৰী সন্মানেৰে সন্মানিত সাহিত্যিকগৰাকীক বিশ্ববিদ্যালয়খনৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰি কয় যে, অসমীয়া সাহিত্যৰ সম্প্ৰতি ভাল দিন চলি আছে। অসমীয়া সাহিত্য বৰ্তমান বিশ্ব স্তৰতো পৰিচিত। উল্লেখযোগ্য যে, যোৱা ১০ মাৰ্চত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২২ সংখ্যক দীক্ষান্ত সমাৰোহত বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা অসমৰ ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়াই শ্ৰী শ্বাহক সৰ্বোচ্চ শৈক্ষিক সন্মান ডি-লিট উপাধি প্ৰদান কৰাৰ কথা আছিল। স্বাস্থ্যজনিত কাৰণত বিশিষ্ট সাহিত্যিকগৰাকী সমাৰোহত উপস্থিত থাকিব নোৱাৰাৰ হেতু বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আজি তেখেতক বাসগৃহত এই সন্মান প্ৰদান কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজি পুৱতি নিশা বন কৰ্মীৰ গুলীত এটা চোৰাং চিকাৰী নিহত হয়। বিশ্ব ঐতিহ্যৰ ক্ষেত্ৰখনৰ পূব প্ৰান্তৰ আগৰাতলী পৰিসৰৰ এৰাসুঁতি ৰঙামতীয়া বন শিবিৰৰ এজাৰ কাঠনি এলেকাত চোৰাং চিকাৰীটো বন কৰ্মীৰ গুলীত নিহত হয়। ইফালে, আন দুটা চোৰাং চিকাৰীয়ে ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সমৰ্থ হয়। বন বিভাগ আৰু অসম আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা থ্ৰী নট থ্ৰী ৰাইফলৰ লগতে দুটা খালী কাৰ্টিজ আৰু দুজাঁই সজীৱ গুলী উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় উদ্যানখনৰ উত্তৰ পাৰৰ বিশ্বনাথৰ দিশৰ পৰা তিনিজনীয়া চোৰাং চিকাৰীৰ দলটো বনাঞ্চলখনত প্ৰৱেশ কৰাৰ তথ্য বিশেষ সূত্ৰৰ জৰিয়তে লাভ কৰি বন বিভাগে পুৱতি নিশা কৰা এন্মুজত চোৰাং চিকাৰীটোৰ গাত চাৰিজাই গুলী লাগে। আন দুটা চোৰাং চিকাৰীৰ সন্ধানত বন বিভাগে অভিযান অব্যাহত ৰাখিছে।

০০০০০

সমাপ্ত